**REGIONAL NEWS UNIT**
ALL INDIA RADIO, GUWAHATI
0000000000

**Date :** 01-04-2025 **Time :** 1845 Hrs.

***Assamese Evening Bulletin***
***Headlines***

১। ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ প্ৰস্তুতি সম্পূৰ্ণ। কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ।

২। মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ বিশ্বনাথত মহিলা উদ্যমিতা আঁচনিৰ উদ্বোধন।

৩। সুলভ স্বাস্থ্যসেৱা আৰু উন্নত আন্তঃগাঁথনিৰ বাবে জিলা স্বাস্থ্য সমিতিসমূহৰ উদ্যোগত ৰাজ্যজুৰি স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ আয়োজন।

৪। বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক অপদস্থ কৰাৰ অভিযোগত বিশেষাধিকাৰ সমিতিৰ কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলী আৰু নুৰুল হুদাক জাননী জাৰি।

আৰু

৫। আই পি এল ক্ৰিকেট প্ৰতিযোগিতাত লক্ষ্ণৌ ছুপাৰ জায়েণ্ট পঞ্জাব কিংছৰ মুখামুখি।

০০০০০০০

ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ কাইলৈ হ'বলগীয়া নিৰ্বাচনৰ বাবে প্ৰস্তুতি সম্পূৰ্ণ হৈছে। গোৱালপাৰা আৰু কামৰূপৰ মুঠ ৩৩টা পৰিষদীয় সমষ্টিত কাইলৈ পুৱা ৭ বজাৰ পৰা বিয়লি ৩ বজালৈ ভোটগ্ৰহণ কৰা হ'ব। পৰিষদীয় সমষ্টিকেইটাত স্থাপন কৰা ৫৭১ টা ভোটগ্ৰহণ কেন্দ্ৰত মুঠ ৪ লাখ ৪৫ হাজাৰ ৫৮৬ গৰাকী ভোটদাতাই গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিব পাৰিব। নিৰ্বাচনৰ বাবে নিয়োজিত প'লিং আৰু প্ৰিজাইডিং বিষয়াসকলে বেলট পেপাৰ, বেলট বাকচ আদি লৈ আজি পুৱাতে নিৰ্ধাৰিত ভোটগ্ৰহণ কেন্দ্ৰলৈ ৰাওনা হৈছে।

আমাৰ গোৱালপাৰাৰ সংবাদদাতাই জনোৱা অনুসৰি জিলাখনৰ ১৯ টা সমষ্টিত ৩৬২ টা ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। কাইলৈ জিলাখনত দুই লাখ ৪০ হাজাৰ ২৫ গৰাকী ভোটাৰে ৫২ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। জিলাখনৰ জয়ৰামকুচি পৰিষদীয় সমষ্টিত এন ডি এৰ প্ৰাৰ্থী প্ৰেমাজুলি ৰাভা বিনাপ্ৰতিদ্বন্দ্বিতাৰে জয়ী হৈছে। জিলাখনত নিৰ্বাচনৰ প্ৰস্তুতি সম্পৰ্কত এয়া আমাৰ গোৱালপাৰাৰ সংবাদদাতা ৰছিদুল হুছেইন –

-ভইচ-

কামৰূপ জিলাৰ ১৪ টা পৰিষদীয় সমষ্টিৰ বাবে নিৰ্বাচনী প্ৰস্তুতি সম্পূৰ্ণ হৈছে। সমষ্টিকেইটাত এক লাখ ৬৮ হাজাৰ ৬৬৮ গৰাকী ভোটদাতাই ৪৪ গৰাকী প্ৰাৰ্থীৰ ৰাজনৈতিক ভাগ্য নিৰ্ণয় কৰিব। ভোটগ্ৰহণৰ বাবে নিৰ্বাচনী বিষয়াসকল ইতিমধ্যে ভোটকেন্দ্ৰসমূহলৈ ৰাওনা হৈছে। জিলাখনত স্থাপন কৰা ২০৯ টা ভোটগ্ৰহণ কেন্দ্ৰৰ ভিতৰত ১০ টা কেৱল মহিলা বিষয়াৰ দ্বাৰা আৰু এটা দিব্যাংগ বিষয়াৰ দ্বাৰা পৰিচলনা কৰা হ'ব। জিলাখনত দুটা আদৰ্শ ভোটগ্ৰহণ কেন্দ্ৰ স্থাপন কৰা হৈছে। নিৰ্বাচন পৰিচালনাৰ বাবে এহেজাৰ ১৩৬ গৰাকী প্ৰিজাইডিং আৰু প'লিং বিষয়া নিয়োজিত কৰা হৈছে। তদুপৰি ভোটকেন্দ্ৰসমূহত সুৰক্ষা নিশ্চিত কৰাৰ বাবে ৬০০ গৰাকী আৰক্ষী তথা নিৰাপত্তাগৰাকী নিয়োগ কৰা হৈছে। এই নিৰ্বাচন শান্তিপূৰ্ণকৈ অনুষ্ঠিত কৰাৰ বাবে জিলা আয়ুক্ত দেৱ কুমাৰ মিশ্ৰই সকলোৰে সহযোগিতা কামনা কৰাৰ লগতে প্ৰতিগৰাকী ভোটদাতাক গণতান্ত্ৰিক অধিকাৰ সাব্যস্ত কৰিবলৈ আহ্বান জনাইছে।

কাইলৈ হ'বলগীয়া ৰাভা-হাছং স্বায়ত্তশাসিত পৰিষদৰ নিৰ্বাচনৰ পৰিপ্ৰেক্ষিতত গোৱালপাৰা আৰু কামৰূপ জিলাৰ পৰিষদৰ এলেকাধীন অঞ্চলত বন্ধ ঘোষণা কৰা হৈছে। অসম ৰাজ্যিক নিৰ্বাচন আয়োগৰ সচিবে জাৰি কৰা জাননী অনুসৰি কাইলৈ অঞ্চলটোৰ সকলো চৰকাৰী-বেচৰকাৰী কাৰ্যালয়, শিক্ষা, ব্যৱসায়িক আৰু বিত্তীয় প্ৰতিষ্ঠান বন্ধ থাকিব। ৪ এপ্ৰিলত নিৰ্বাচনৰ ফলাফল ঘোষণা কৰা হ'ব।

০০০০০০

দুদিনীয়া ভ্ৰমণসূচীৰে বিশ্বনাথত উপস্থিত হোৱা মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাই আজি মহিলা উদ্যমিতা আঁচনিৰ উদ্বোধন কৰে। বিহালী সমষ্টিত এই আঁচনিৰ অধীনত সমষ্টিটোৰ প্ৰায় ২৩ হাজাৰ গৰাকী মহিলাক ১০ হাজাৰ টকাৰ চেক প্ৰদান কৰি মুখ্যমন্ত্ৰীগৰাকীয়ে আঁচনিখনৰ জৰিয়তে ৰাজ্যৰ ৩০ লাখ মহিলা উপকৃত হ'ব বুলি জানিবলৈ দিয়ে। প্ৰাৰম্ভিক মূলধনৰ সদ্ব্যৱহাৰ কৰা মহিলাক অহা বছৰ ২৫ হাজাৰ টকা প্ৰদান কৰাৰ বিষয়েও মুখ্যমন্ত্ৰীয়ে আজি ঘোষণা কৰে। ইয়াৰ পৰৱৰ্তী পৰ্যায়ত ৫০ হাজাৰ টকাৰ অৰ্থ সাহায্য উদ্যমিতা আঁচনিৰ অধীনত মহিলাসকললৈ আগবঢ়োৱা হ'ব। ইয়াৰ জৰিয়তে ৰাজ্য চৰকাৰে অসমত ক্ষুদ্ৰ উদ্যোগীসকলক অনুপ্ৰেৰণা যোগোৱাৰ লক্ষ্য নিৰ্ধাৰণ কৰিছে বুলি মুখ্যমন্ত্ৰীয়ে অৱগত কৰে। প্ৰতি কুইণ্টল ধান দুহেজাৰ ৫৫০ টকা আৰু প্ৰতি কুইণ্টল সৰিয়হ ছহেজাৰ ৪৫০ টকা মূল্যত ক্ৰয় কৰা হ'ব বুলিও ড° শৰ্মাই জানিবলৈ দিয়ে।

-বাইট-

ছেপ্তেম্বৰত আৰু ৬ লাখ ৰেচন কাৰ্ড বিতৰণ কৰা হ'ব বুলি তেওঁ প্ৰকাশ কৰে।

হাইস্কুল শিক্ষান্ত পৰীক্ষা দিয়া দুখীয়া পৰিয়ালৰ শিক্ষাৰ্থীৰ একাউণ্টত ছমাহৰ বাবে মাহিলী ৩০০ টকাকৈ টিউশ্যনৰ বাবদ দিয়া হ'ব বুলিও তেওঁ ঘোষণা কৰে।

-বাইট-

ইয়াৰ পূৰ্বে মুখ্যমন্ত্ৰী ড° শৰ্মাই জিলাখনৰ পাভৈত এখন স্বাস্থ্যমেলা উদ্বোধন কৰে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰটো শুভাৰম্ভ কৰি ড° শৰ্মাই ১০ গৰাকী অৱসৰপ্ৰাপ্ত আশাকৰ্মীক এককালীন সাহায্য হিচাপে ২ লাখ টকাৰ চেক প্ৰদান কৰে। ৰাজ্য চৰকাৰৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগে আজিৰে পৰা গাঁও পঞ্চায়ত, নগৰীয়া স্থানীয় নিকায়, ভি চি ডি চি সমূহত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আয়োজন কৰিব বুলিও মুখ্যমন্ত্ৰীয়ে ঘোষণা কৰে।

ড° শৰ্মাই আজি জামুগুৰিহাটৰ ত্যাগবীৰ হেম বৰুৱা মহাবিদ্যালয় আন্তঃক্ৰীড়া ক্ষেত্ৰৰ আধাৰশিলা স্থাপন কৰে। এক কোটি ৭০ লাখ টকা ব্যয় সাপেক্ষে নতুনকৈ স্থাপন কৰিবলগীয়া এই ক্ৰীড়া প্ৰকল্পটোত দুখন বেডমিণ্টন কোৰ্ট, ৪ খন টেবল টেনিছ কোৰ্ট আৰু যোগাভ্যাস, শৰীৰচৰ্চা আৰু কাৰ্যালয়ৰ বাবে এটাকৈ কোঠা উপলব্ধ হ'ব। একেটা অনুষ্ঠানতে মুখ্যমন্ত্ৰীগৰাকীয়ে মহাবিদ্যালয়খনৰ ছাত্ৰ-ছাত্ৰীৰ সৈতে বাৰ্তালাপ কৰে।

০০০০০০

ৰাজ্যজুৰি স্বাস্থ্যসেৱা সুলভ আৰু ইয়াৰ আন্তঃগাঁথনি উন্নত কৰাৰ বাবে অসম মন্ত্ৰীসভাত গ্ৰহণ কৰা সিদ্ধান্ত অনুসৰি আজি ৰাজ্যৰ বিভিন্ন প্ৰান্তত জিলা স্বাস্থ্য সমিতিসমূহৰ উদ্যোগত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়।

মুখ্যমন্ত্ৰী ড° হিমন্ত বিশ্ব শৰ্মাৰ উপস্থিতিত বিশ্বনাথত ওদালগুৰি জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত আজি আম্বাগাঁও বড়ো উচ্চতৰ মাধ্যমিক বিদ্যালয়ত স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। জিলা আয়ুক্ত পুলক পাটগিৰিয়ে শিবিৰটো উদ্বোধন কৰে। জনসাধাৰণৰ স্বাস্থ্য পৰীক্ষা কৰাৰ উদ্দেশ্যে আয়োজিত এই স্বাস্থ্য মেলাত প্ৰসূতি, মেডিচিন, চকু, হাড়, শিশুৰোগ, মানসিক স্বাস্থ্যকে ধৰি বিভিন্ন দিশত বিশেষজ্ঞ চিকিৎসকৰ দ্বাৰা পৰীক্ষা কৰোৱা হয়। ১৫ গৰাকী চিকিৎসকে এই শিবিৰত চিকিৎসা সেৱা আগবঢ়ায়।

স্বাস্থ্য সেৱাৰ আন্তঃগাঁথনি অধিক শক্তিশালী কৰা তথা জনসাধাৰণৰ বাবে গুণগত চিকিৎসা সুনিশ্চিত কৰাৰ লক্ষ্যৰে ৰাজ্যৰ অন্যান্য জিলাতো শিবিৰসমূহ মুকলি কৰা হয়। কৃষিমন্ত্ৰী অতুল বৰাই আজি বোকাখাত গাঁও পঞ্চায়তৰ বোকাখাত হাইস্কুলত আয়োজিত স্বাস্থ্য আৰু কল্যাণ শিবিৰ আনুষ্ঠানিকভাৱে মুকলি কৰে। মন্ত্ৰীগৰাকীয়ে এই শিবিৰ মুকলি কৰি গ্ৰামাঞ্চল, বিশেষকৈ আওহতীয়া অঞ্চলসমূহত স্বাস্থ্য সেৱা সুচল কৰি তোলাৰ ক্ষেত্ৰত এই পদক্ষেপে বিশেষ ভূমিকা পালন কৰিব বুলি মন্তব্য কৰে। এই শিবিৰসমূহে স্বাস্থ্য আৰু পৰিষ্কাৰ-পৰিচ্ছন্নতাৰ বিষয়ে জনসাধাৰণক সজাগ কৰিব বুলিও তেওঁ আশা প্ৰকাশ কৰে।

চৰাইদেউ জিলাৰ স্বাস্থ্য আৰু পৰিয়াল কল্যাণ বিভাগৰ উদ্যোগত আজি জিলাখনৰ মাহমৰা দিপলিং উচ্চতৰ মাধ্যমিক বিদ্যালয়ত জিলা পৰ্যায়ৰ স্বাস্থ্য আৰু কল্যাণ শিবিৰ মুকলি কৰা হয়। ৰাজ্য চৰকাৰৰ পৰিবহণ, পাৰ্বত্য অঞ্চল উন্নয়ন মন্ত্ৰী যোগেন মহনে আজি শিবিৰটো আনুষ্ঠানিকভাৱে মুকলি কৰে। জিলাখনৰ ৪০ টা স্থানত পৰ্যায়ক্ৰমে এই শিবিৰ মুকলি কৰা হ'ব। শিবিৰসমূহত কেইবাগৰাকীও বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়াব। আজি শিবিৰ মুকলি কৰি মন্ত্ৰী যোগেন মহনে এইদৰে কয় –

–বাইট–

ধেমাজি জিলাতো আজি স্বাস্থ্য আৰু কল্যাণ শিবিৰৰ উদ্বোধন কৰা হয়। জিলা স্বাস্থ্য সমিতিৰ উদ্যোগত জিলাখনৰ ৬৫ খন গাঁও পঞ্চায়ত আৰু দুখন পৌৰসভাক সামৰি পৰ্যায়ক্ৰমে ১৭ জুলাই পৰ্যন্ত এই স্বাস্থ্যমেলা মুকলি থাকিব। ১৪ জন বিশেষজ্ঞ চিকিৎসকে সেৱা আগবঢ়াবলগীয়া শিবিৰত কেইবাটাও ৰোগৰ পৰীক্ষা আৰু পুষ্টি সম্পৰ্কীয় পৰামৰ্শ দিয়া হ'ব। জিলাখনৰ সমজিলা জোনাইতো আজি স্বাস্থ্যমেলা অনুষ্ঠিত হয়। নগাঁও জিলাৰ বুঢ়াগোহাঁই থান খণ্ড প্ৰাথমিক স্বাস্থ্যকেন্দ্ৰৰ অন্তৰ্গত ৰায়দঙীয়া ৰাজহুৱা মঞ্চত আজি বিধায়ক ৰূপক শৰ্মাই জিলা পৰ্যায়ৰ স্বাস্থ্য শিবিৰ মুকলি কৰে। এই শিবিৰত প্ৰায় ৩০০ জন লোকৰ স্বাস্থ্য পৰীক্ষা কৰোৱা হয়। গোলাঘাট স্বাস্থ্য বিভাগৰ উদ্যোগত গাঁও পঞ্চায়ত স্তৰত আজি স্বাস্থ্য আৰু কল্যাণ শিবিৰ অনুষ্ঠিত হয়। আজি জিলাখনত এহেজাৰ ১৬৭ জন লোকক স্বাস্থ্য পৰীক্ষা কৰি চিকিৎসা সেৱা প্ৰদান কৰা হয়।

০০০০০০০

অসম বিধানসভাৰ উপাধ্যক্ষ ডাঃ নোমল মমিনক অপদস্থ কৰাৰ অভিযোগত ১২ জনীয়া সদস্যৰে গঠিত বিশেষাধিকাৰ সমিতিয়ে কংগ্ৰেছৰ বিধায়ক শ্বেৰমান আলী আৰু নুৰুল হুদাক জাননী জাৰি কৰিছে। বিধায়ক সিদ্ধাৰ্থ ভট্টাচাৰ্যৰ নেতৃত্বত এই সমিতিৰ আজি দিছপুৰত অনুষ্ঠিত বৈঠকত সিদ্ধান্তমৰ্মে বিধায়ক দুয়োজনলৈ বিশেষাধিকাৰ ভংগৰ জাননী জাৰি কৰা হয়। উল্লেখযোগ্য যে দুয়োগৰাকী বিধায়কে বিধানসভাৰ অধিৱেশন চলি থকা দিনত উপাধ্যক্ষগৰাকীক অপদস্থ কৰাৰ অভিযোগ উঠিছিল।

০০০০০০

দেশত আজিৰে পৰা প্ৰায় ৯০০ বিধ ঔষধৰ মূল্যবৃদ্ধি কাৰ্যকৰী হৈছে। এই ঔষধসমূহৰ মূল্য ১ দশমিক ৭ - ৪ শতাংশ বৃদ্ধি পাইছে। মধুমেহ, উচ্চ ৰক্তচাপ, হৃদৰোগ, সংক্ৰমণৰ চিকিৎসাজনিত ঔষধকে ধৰি ভালেসংখ্যক লোকৰ ঔষধৰ মূল্য আজিৰেপৰা বৃদ্ধি পাইছে। ৰাষ্ট্ৰীয় ভেষজ মূল্য নিয়ন্ত্ৰণ প্ৰাধিকৰণে পাইকাৰী মূল্য সূচকৰ ওপৰত নিৰ্ভৰ কৰি এই ঔষধসমূহৰ মূল্য বৃদ্ধিৰ সিদ্ধান্ত লৈছে। উল্লেখযোগ্য যে প্ৰতিবছৰে ঔষধসমূহৰ মূল্যৰ ক্ষেত্ৰত প্ৰাধিকৰণে সংশোধনী ঘটাই যদিও বিগত বৰ্ষত এই মূল্যবৃদ্ধি দশমিক ০০৫৫ শতাংশহে আছিল।

০০০০০০০

ৰাজ্যত আজিৰেপৰা বিদ্যুৎ মাচুল প্ৰতি ইউনিটত ২৫ পইচাৰ পৰা এটকালৈকে হ্ৰাস কৰা হৈছে। ঘৰুৱা গ্ৰাহকৰ বাবে প্ৰতি ইউনিটত এটকাকৈ আৰু উদ্যোগ, কাৰখানা, কৃষি ইত্যাদি বাণিজ্যিক সংযোগ থকা গ্ৰাহকসকলৰ ক্ষেত্ৰত প্ৰতি ইউনিটত ২৫ পইচাকৈ মাচুল হ্ৰাস পাইছে। অৱশ্যে গ্ৰাহকসকলে মে' মাহৰ মাচুলতহে ইয়াৰ প্ৰতিফলন দেখা পাব। অসম বিদ্যুৎ বিতৰণ কোম্পানী লিমিটেড এ পি ডি চি এলে আজিৰেপৰা তিনি তৰপীয়া নিৰিখত বিদ্যুৎ মাচুল সংগ্ৰহ কৰিব। এই অনুসৰি দিনৰ সময়, সন্ধিয়া আৰু নিশা এই তিনিটা ভাগত পৃথক পৃথককৈ বিদ্যুৎ মাচুল সংগ্ৰহ কৰা হ'ব। অৱশ্যে গ্ৰাহকে ইচ্ছা কৰিলেহে এই তিনি তৰপীয়া পদ্ধতিৰে মাচুল আদায় দিব পাৰিব। পূৰ্বৰ দৰে দিনটোৰ বাবে এটা নিৰিখতে মাচুল আদায় দিয়াৰ বিকল্পও এ পি ডি চি এলে গ্ৰাহকৰ বাবে ৰাখিছে। গ্ৰাহকে বিচাৰিলে শক্তি বিভাগে তেওঁলোকৰ মিটাৰত তিনি তৰপীয়া মাচুলৰ সেৱা সংযোগ কৰিব। তিনি তৰপীয়া পদ্ধতিৰ অধীনত নৰ্মেল আৱাৰত অৰ্থাৎ নিশা ১০ বজাৰ পৰা পুৱা ৯ বজালৈ সাধাৰণ নিৰিখত মাচুল সংগ্ৰহ কৰা হ'ব। পুৱা ৯ বজাৰ পৰা ৫ বজালৈ ছ'লাৰ আৱাৰ হিচাপে অভিহিত কৰাৰ সময়খিনিত ২০ শতাংশ মাচুল কমকৈ দিব লাগিব। ইপিনে, আবেলি ৫ বজাৰ পৰা নিশা ১০ বজালৈ পিক আৱাৰত বিদ্যুৎ মাচুল সাধাৰণ নিৰিখৰ ১২০ শতাংশ হ'ব।

উল্লেখযোগ্য যে অহা নৱেম্বৰ-ডিচেম্বৰত সাধাৰণ গ্ৰাহকৰ বাবে বিদ্যুতৰ মাচুল পুনৰ এটকা হ্ৰাস পাব বুলি মুখ্যমন্ত্ৰী হিমন্ত বিশ্ব শৰ্মাই আজিও বিশ্বনাথত ঘোষণা কৰে।

০০০০০০০

ৰাজ্য চৰকাৰৰ **অসম দৰ্শন** আঁচনিৰ অধীনত আজি মন্ত্ৰী প্ৰশান্ত ফুকনে ডিব্ৰুগড়ৰ কেইবাটাও ধৰ্মীয় স্থানলৈ প্ৰথম কিস্তি হিচাপে ডেৰ লাখ টকাৰ অনুদানৰ চেক বিতৰণ কৰে। ডিব্ৰুগড় বিধানসভা সমষ্টিত ২০৪টা নামঘৰ, মন্দিৰ আৰু থানলৈ ৩ লাখ টকাকৈ এই আঁচনিৰ অনুদান আগবঢ়োৱা হ'ব বুলি মন্ত্ৰীগৰাকীয়ে উল্লেখ কৰে।

০০০০০০

শোণিতপুৰ জিলা আয়ুক্তৰ কাৰ্যালয়ত আজি আয়োজন কৰা এটা কাৰ্যসূচীত ৰাজ্যৰ জলসম্পদ, তথ্য আৰু জনসংযোগ বিভাগৰ মন্ত্ৰী তথা শোণিতপুৰ জিলাৰ অভিভাৱক মন্ত্ৰী পীযূষ হাজৰিকাই এই আঁচনিৰ অধীনত তেজপুৰ বিধানসভা সমষ্টিৰ ১৫৮টা নামঘৰ আৰু উপাসনাগৃহলৈ ডেৰ লাখ টকাকৈ অনুদানৰ চেক বিতৰণ কৰে। ভাষণ প্ৰসংগত তেওঁ মহাপুৰুষ শ্ৰীমন্ত শংকৰদেৱ গুৰুজনাৰ অপূৰ্ব সৃষ্টি নামঘৰসমূহ অসমীয়াৰ জাতীয় গৌৰৱ আৰু ইয়াৰ সংৰক্ষণ কৰাৰ দায়িত্ব সকলোৰে বুলি মন্তব্য কৰে। মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাৰ নেতৃত্বত ৰাজ্য চৰকাৰে নামঘৰ আৰু ধৰ্মীয় উপাসনাস্থলীসমূহক অসমীয়া আধ্যাত্মিক চিন্তা আৰু কৃষ্টি-সংস্কৃতিৰ কেন্দ্ৰ হিচাপে গঢ়ি তোলাৰ বাবে ব্যৱস্থা গ্ৰহণ কৰিছে বুলি তেওঁ প্ৰকাশ কৰে। অসম দৰ্শন আঁচনিৰ অধীনত শোণিতপুৰ জিলাত মুঠ ৭৯২টা ধৰ্মীয় উপাসনাস্থলীলৈ অনুদান আগবঢ়োৱা হ'ব।

০০০০০০

কামৰূপ মহানগৰ জিলাৰ এক নম্বৰ অতিৰিক্ত জিলা আৰু সত্ৰ ন্যায়াধীশৰ আদালতে নিচাযুক্ত দ্ৰব্য সৰবৰাহৰ গোচৰত আজি দুজন অভিযুক্তক দৃষ্টান্তমূলক শাস্তি প্ৰদান কৰে। গাঞ্জা সৰবৰাহৰ গোচৰত অভিযুক্ত হীৰা কুমাৰ আৰু ৰতন লস্কৰক ১০ বছৰৰ সশ্ৰম কাৰাদণ্ড আৰু এক লাখ টকাকৈ জৰিমনা বিহা হৈছে। উল্লেখযোগ্য যে মাদক দ্ৰব্য নিয়ন্ত্ৰণ সংস্থাই এখন ট্ৰাকৰ পৰা প্ৰায় ৬০০ কিলোগ্ৰাম গাঞ্জাৰ সৈতে অভিযুক্ত দুজনক গ্ৰেপ্তাৰ কৰিছিল। অৱশ্যে গোচৰাধীন ৰবীন্দ্ৰ ৰায় আৰু ছজল চক্ৰৱৰ্তীক আদালতে দোষমুক্ত ঘোষণা কৰে।

০০০০০০

যোৰহাট জিলা আয়ুক্তৰ কাৰ্যালয়ৰ সভাকক্ষত আজি মুখ্যমন্ত্ৰী ড০ হিমন্ত বিশ্ব শৰ্মাই অহা ৪ এপ্ৰিলত জিলাখনত উদ্বোধন কৰিবলগীয়া কেইবাটাও প্ৰকল্পৰ সন্দৰ্ভত সবিশেষ আলোচনা কৰা হয়। মুখ্যমন্ত্ৰীগৰাকীয়ে সেইদিনা চিনামৰাত নিৰ্মাণ কৰা অত্যাধুনিক সন্মিলন কেন্দ্ৰ, আন্তঃৰাজ্যিক বাছ আস্থানত নিৰ্মাণৰত স্বয়ংক্ৰিয় যান-বাহন পৰীক্ষণ কেন্দ্ৰ, যোৰহাট চিকিৎসা মহাবিদ্যালয়ৰ সমীপত নিৰ্মীয়মান উৰণ সেতু জনসাধাৰণৰ বাবে মুকলি কৰিব। আজিৰ সভাত আৰক্ষী অধীক্ষকে ধৰি জিলাখনৰ সংশ্লিষ্ট বিভাগসমূহৰ বিষয়াসকল উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ হস্ততাঁত আৰু বস্ত্ৰ, ভূমি সংৰক্ষণ আৰু বড়োলেণ্ড কল্যাণ বিভাগৰ মন্ত্ৰী উৰ্খাও গৌৰা ব্ৰহ্মাই আজি বাক্সা জিলাত ১৪টা আদৰ্শ অংগনৱাড়ী কেন্দ্ৰ উদ্বোধন কৰে। জিলাখনৰ নাওশালী, ভেবলা কেওঁটচুপা, জালাহ বড়োপাৰা, শিলবাৰী, অঞ্চলী, ৰাবাংগুৰি, শিমলা বড়োপাৰা, লাউখাতা দেউলগুৰি, পূব লাউখাতা, ডুবা কুমাৰী, তাৰাবাৰী, বৰপাম, ভালমানুহৰভিঠা আৰু পাকৰিগুৰিৰ অংগনৱাড়ী কেন্দ্ৰকেইটা উদ্বোধন কৰি মন্ত্ৰীগৰাকীয়ে কয়, যে শিশুৰ শাৰীৰিক বিকাশত আদৰ্শ অংগনৱাড়ী কেন্দ্ৰকেইটা বিশেষ ভূমিকা পালন কৰিব। আজিৰ কাৰ্যসূচীত জিলা আয়ুক্ত গৌতম দাস, বিটিআৰৰ পাৰিষদ মণ্টু বড়োকে ধৰি কেইবাগৰাকীও বিশিষ্ট ব্যক্তি উপস্থিত থাকে।

০০০০০০

ৰাজ্যৰ উদীয়মান ক্ৰিকেট প্ৰতিভাসমূহক উৎসাহ যোগোৱাৰ উদ্দেশ্যেৰে অসম ক্ৰিকেট সন্থাৰ অসম ক্ৰিকেট একাডেমীয়ে পৰিচালনা কৰা ১৪ বছৰ অনূৰ্ধৰ দ্বিতীয় বাৰ্ষিক পুলিন দাস সোঁৱৰণী আন্তঃজিলা ক্ৰিকেট প্ৰতিযোগিতাৰ মধ্য অসম

মণ্ডলৰ খেলসমূহ আজিৰে পৰা আৰম্ভ হৈছে। মৰিগাঁও জিলা ক্রীড়া সন্থাৰ উদ্যোগত অনুষ্ঠিত গ্রুপ-এৰ খেলসমূহ ক্ষিৰোদ বৰুৱা ষ্টেডিয়ামত অনুষ্ঠিত হৈছে। আজিৰ খেলত মৰিগাঁও জিলা ক্রীড়া সন্থাই গোলাঘাট জিলা ক্রীড়া সন্থাক ৩ উইকেটত পৰাস্ত কৰিছে। অসম ক্রিকেট সন্থাৰ স্বীকৃতিপ্রাপ্ত অম্পায়াৰ বিজেন্দ্র প্রসাদ সিং আৰু নিৰঞ্জন দাসে আজিৰ খেলখন  পৰিচালনা কৰে। মৰিগাঁও দলৰ পৰ্ণলজ্যোতি কাশ্যপে শ্রেষ্ঠ খেলুৱৈৰ বঁটা লাভ কৰে। খেলুৱৈগৰাকীয়ে আকৰ্ষণীয় বলিঙেৰে ৬ অভাৰত ১ ৰাণৰ বিনিময়ত ৫টা উইকেট দখল কৰে।

০০০০০০

আই পি এল ক্রিকেট প্রতিযোগিতাত আজি লক্ষ্ণৌৰ একানা ক্রিকেট ষ্টেডিয়ামত হ'বলগীয়া খেলত লক্ষ্ণৌ ছুপাৰ জায়েণ্টছ্ পাঞ্জাব কিংছ্ৰ মুখামুখি হ'ব। খেলখন সন্ধিয়া চাৰে ৭ বজাত আৰম্ভ হ'ব।

০০০০০০

**সমাপ্ত**